# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 16-12-2024
**Time :** 1715 Hrs

***Assamese Evening Bulletin***

১৯৭১ চনত ভাৰতীয় সেনাবাহিনীৰ সহযোগত পাকিস্তানৰ বিৰুদ্ধে চলোৱা মুক্তিযুদ্ধত বিজয় সাব্যস্ত কৰা আজিৰ দিনটোৰ স্মৃতিত ভাৰত আৰু বাংলাদেশৰ সেনাবাহিনীয়ে **বিজয় দিৱস** হিচাপে উদযাপন কৰিছে। বিজয় দিৱস উপলক্ষে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও আজি দেশখনৰ স্বাধীনতাৰ হকে যুঁজি প্ৰাণ আহুতি দিয়া ভাৰতীয় সৈনিকসকলৰ স্মৃতিত গভীৰ শ্ৰদ্ধা তৰ্পণ কৰে। এটা বাৰ্তাত প্ৰধানমন্ত্ৰীয়ে এই মহান সৈনিকসকলৰ আত্মবলিদান দেশৰ বুৰঞ্জীত সোণালী আখৰেৰে লিখা হৈছে বুলি উল্লেখ কৰে আৰু তেওঁলোকৰ মহান ত্যাগে পৰৱৰ্তী প্ৰজন্মক সদায়েই উৎসাহিত কৰি যাব বুলি মন্তব্য কৰে। অসমতো আজি বিজয় দিৱস উপলক্ষে সেনাবাহিনীয়ে বিভিন্ন অনুষ্ঠানৰ আয়োজন কৰে। কোকৰাঝাৰত থকা সেনাবাহিনীৰ ইক' টাস্ক ফ'ৰ্চে আজি এই উপলক্ষে আজি মটৰচাইকেল সমদল উলিয়ায়। ১৯৭১ চনৰ যুদ্ধত আত্মবলিদান দিয়া ছহিদসকলৰ ত্যাগক সন্মান জনাই উলিওৱা এই সমদল পূব কোকৰাঝাৰ সমষ্টিৰ বিধায়ক লৰেন্স ইছলাৰীয়ে মুকলি কৰে। সমদলত শতাধিক লোকে অংশগ্ৰহণ কৰে।

ooooo

ভূটানৰ ৰজা জিগমে খেছাৰ নামগিয়াল ৱাংচুকৰ আমন্ত্ৰণমৰ্মে দেশখনৰ ৰাষ্ট্ৰীয় দিৱস উদযাপনত অংশ ল'বলৈ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আজি থিম্ফুত উপস্থিত হৈছে। থিম্ফুৰ বিমান বন্দৰত আজি মুখ্যমন্ত্ৰীগৰাকীক দেশখনৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰী লিয়নপো ডি এন ধুংগিয়েলে আদৰণি জনায়। তিনিদিনীয়া এই ভ্ৰমণকালত চুবুৰীয়া ৰাষ্ট্ৰখনৰ সৈতে অসম তথা ভাৰতৰ দ্বিপাক্ষিক সম্পৰ্ক উন্নত কৰাৰ বাবে মুখ্যমন্ত্ৰীগৰাকী আলোচনাত মিলিত হ'ব। এই ভ্ৰমণে প্ৰতিবেশী ৰাষ্ট্ৰখনৰ সৈতে অসমৰ বন্ধুত্বৰ এনাজৰী কটকটীয়া কৰি তুলিব বুলি যাত্ৰাৰ পূৰ্বে সামাজিক মাধ্যমযোগে দিয়া বাৰ্তাত মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে।

ooooo

কেন্দ্ৰীয় অনুসন্ধানকাৰী সংস্থা চি বি আইয়ে অবৈধ ধনৰ লেনদেন সম্পৰ্কীয় গোচৰত সংস্থাটোৰ গুৱাহাটীৰ বিশেষ আদালতত আৰু ৫ খন অভিযোগনামা দাখিল কৰিছে। ১৬ গৰাকী ব্যক্তি আৰু দুটা সংস্থাকে ধৰি মুঠ ১৮ গৰাকী অভিযুক্তৰ বিৰুদ্ধে এই অভিযোগনামা দাখিল কৰা হৈছে। ইয়াৰ আগেয়ে দিল্লী চি বি আইয়েও এই গোচৰ সংক্ৰান্তত চাৰিখন অভিযোগনামা দাখিল কৰিছিল। অসম চৰকাৰৰ অনুৰোধ মৰ্মে চি বি আইয়ে যোৱা ২২ অক্টোবৰত তিনিগৰাকী অভিযুক্তৰ বিৰুদ্ধে অভিযোগনামা দাখিল কৰে। বিত্তীয় কেলেংকাৰিৰ অভিযোগত গ্ৰেপ্তাৰ কৰাৰ ৩ মাহৰ ভিতৰত এই লোককেইজনৰ বিৰুদ্ধে অভিযোগনামা দাখিল কৰা হয়। ২০

অক্টোবৰতো কেইবাটাও বিত্তীয় লেনদেনকাৰী সংস্থা আৰু ব্যক্তিৰ বিৰুদ্ধে এখন অভিযোগনামা দাখিল কৰা হৈছিল। এই তদন্তৰ প্ৰক্ৰিয়া চি বি আইয়ে অনিয়ম সংঘটিত কৰা বিত্তীয় প্ৰতিষ্ঠান আৰু ব্যক্তিৰ বিৰুদ্ধে বিতং তথ্য সংগ্ৰহ কৰাৰ লগতে এনেধৰণৰ অনিয়মৰ বলি হোৱা লোকসকলৰ তথ্যও সংগ্ৰহ কৰিছিল। এই গোচৰসমূহ সন্দৰ্ভত তদন্ত অব্যাহত আছে।

ooooo

অসম চৰকাৰৰ বিকাশৰ ১২ দিন অনুষ্ঠানৰ অংশ হিচাপে আজি গোৱালপাৰাৰ জিলা উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰ খেলপথাৰত দুদিনীয়াকৈ বঁটা বিতৰণ, আৰ্থিক অনুদান প্ৰদান কাৰ্যসূচী অনুষ্ঠিত হৈছে। গোৱালপাৰা জিলাৰ অভিভাৱক মন্ত্ৰী অশোক সিংহলে অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। কাৰ্যসূচীত প্ৰজ্ঞান ভাৰতী আঁচনিৰ অধীনত ড০ বাণীকান্ত কাকতি মেধা বঁটা হিচাপে স্কুটী, আনন্দৰাম বৰুৱা বঁটা আৰু মুখ্যমন্ত্ৰীৰ বিশেষ আঁচনিৰ অধীনত নৱম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ মাজত চাইকেল বিতৰণৰ শুভাৰম্ভ কৰা হয়। কাইলৈ অসম ক্ষুদ্ৰ বিত্তিয় প্ৰতিষ্ঠান আৰু সকাহ আঁচনি ২০২১ৰ তৃতীয় বৰ্গৰ ঋণীলৈ দ্বিতীয় পৰ্যায়ৰ ঋণমুক্তি প্ৰমাণপত্ৰ, বানত ক্ষতিগ্ৰস্ত হিতাধিকাৰীলৈ আৰ্থিক সাহায্য, আত্মসহায়ক গোটৰ খাদ্য প্ৰসংস্কৰণ লগত জড়িত মহিলাসকললৈ প্ৰাৰম্ভিক মূলধন প্ৰদান কৰা হ'ব। কাইলৈ হ'বলগীয়া কাৰ্যসূচীতো মন্ত্ৰী অশোক সিংহল উপস্থিত থাকিব।

ooooo

গোৱালপাৰা জিলাৰ ৰামপুৰৰ বাদুংদুপ্পা কলাকেন্দ্ৰত কালিৰে পৰা তিনিদিনীয়াকৈ অনুষ্ঠিত **আন্দাৰ দ্য শাল ট্ৰী** শীৰ্ষক নাট মহোৎসৱ উপলক্ষে অঞ্চলটোত ভালেসংখ্যক নাট্যপ্ৰেমীৰ সমাগম হৈছে। আজি পুৱাৰ ভাগত তামিল ভাষাৰ নাট **তিনধান চৰ্থীৰাম** আৰু দিনৰ আঢ়ৈ বজাত **কিষাণ ৰাজ** নামৰ নাটখন মঞ্চস্থ কৰা হয়। বিশিষ্ট চিত্ৰশিল্পী ৰবিৰাম ব্ৰহ্মই কালি পুৱা এই নাট সমাৰোহৰ শুভাৰম্ভ কৰিছিল। উল্লেখযোগ্য যে বিশিষ্ট নাট্যকৰ্মী প্ৰয়াত শুক্ৰাচাৰ্য্য ৰাভাই আৰম্ভ কৰা বাদুংদুপ্পা কলাকেন্দ্ৰই বিগত ১৪ বছৰ ধৰি ৰামপুৰ গাঁৱৰ সংৰক্ষিত বনাঞ্চলত থকা শালনিৰ মাজৰ এডোখৰ ভূমিক মঞ্চৰ ৰূপ দি দিনৰ পোহৰত নাট মঞ্চস্থ কৰি আহিছে। বনাঞ্চলত মঞ্চ তৈয়াৰ কৰি সম্পূৰ্ণ প্ৰাকৃতিক পৰিবেশৰ মাজত কোনোধৰণৰ যান্ত্ৰিক শব্দ, বৈদ্যুতিক পোহৰ আদি অবিহনে এই নাট সমাৰোহ অনুষ্ঠিত হয়। থলুৱা সা-সঁজুলি আৰু থলুৱা বাদ্যযন্ত্ৰক প্ৰাধান্য দি লোক নাট্য সংস্কৃতিক ব্যতিক্ৰমী ধাৰাৰে জীয়াই ৰখাৰ উদ্দেশ্যে বাদুংদুপ্পা কলাকেন্দ্ৰই আয়োজন কৰা এই নাট সমাৰোহত পশ্চিমবংগ আৰু চেন্নাইৰ নাট্য দলেও নাট পৰিবেশনত অংশ লৈছে।

ooooo

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা পুনৰবাৰ অসম বেডমিণ্টন সন্থাৰ সভাপতিৰূপে নিৰ্বাচিত হৈছে। কালি গুৱাহাটীত অনুষ্ঠিত অসম বেডমিণ্টন সন্থাৰ বাৰ্ষিক সাধাৰণ সভাত সংস্থাটোৰ নতুন কাৰ্যনিৰ্বাহক সমিতিখন গঠন কৰা হয়। এই অনুসৰি ওমৰ ৰছিদক পুনৰ সম্পাদক হিচাপে মনোনীত কৰাৰ লগতে গৌতম মহন্তক কোষাধ্যক্ষ হিচাপে মনোনীত কৰা হয়।

ooooo

সমাপ্ত